# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-08 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**-------------------**

ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে। মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২১ চনৰ পৰা ১১ হাজাৰৰো অধিক নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক পুনৰ সংস্থাপন দিয়া হৈছে। আলফা, আদিৱাসী আৰু ডিমাচা উগ্ৰপন্থীৰ সৈতে শান্তি চুক্তি সম্পন্ন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ এই শান্তি চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰ আৱণ্টনত অনুমোদন জনাইছে।

নিজৰ ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে স্বাজোত্তৰ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সোঁৱৰণ কৰে। তেওঁ কয়, যে বৰদলৈয়ে অসমৰ থলুৱা লোকসকলৰ সুৰক্ষাৰ লগতে প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। ডʼ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হʼব বুলি তেওঁ জানিবলৈ দিয়ে। বিকাশৰ ক্ষেত্ৰত ২০২০-২১ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১১৩ শতাংশ বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে। আইন শৃংখলাৰ ক্ষেত্ৰত ৰাজ্যখনৰ সুস্থিৰ পৰিৱেশৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বিভিন্ন গোচৰৰ অভিযোগ নামা দাখিলৰ হাৰ পূৰ্বৰ ৪৭ৰ পৰা ৬৭ শতাংলৈ বৃদ্ধি হৈছে। নিযুক্তিৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে ১ লাখ ২১ হাজাৰৰো অধিক যুৱক-যুৱতীক স্বচ্ছতাৰে নিযুক্তি দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ জনগাঁথনিৰ ক্ষেত্ৰত সৃষ্টি হোৱা সমস্যা দূৰ কৰিবলৈ অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ অবৈধ দখলকাৰীৰ পৰা ভূমি পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত দায়িত্বশীল নাগৰিক হিচাপে নিজৰ কৰ্তব্য পালন কৰিবলৈ সকলোকে আহ্বান জনায়। ডʼ শৰ্মাই ইয়াৰ পূৰ্বে গুৱাহাটীৰ শ্ৰদ্ধাঞ্জলি কাননত স্বাধীনতা সংগ্ৰামী শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী উলহ মালহেৰে অনুষ্ঠিত হয়। কেইবাগৰাকী মন্ত্ৰীয়ে জিলা সদৰসমূহত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে।

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে **বিশ্বনাথ** জিলাৰ কাছাৰী মৈদানত আয়োজিত দিৱসৰ কাৰ্যসূচীত অংশ লৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অনুষ্ঠানত আৰক্ষী, অৰ্ধসামৰিক বাহিনী, কেইবাখনো বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে

কুছকাৱাজত অংশগ্ৰহণ কৰে। **চৰাইদেউ** জিলা প্ৰশাসনৰ উদ্যোগত সোণাৰী ৰাজহুৱা খেলপথাৰত আজি আয়োজিত দিৱসৰ কাৰ্যসূচীত পৰিবহন মন্ত্ৰী যোগেন মহনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে। মন্ত্ৰীগৰাকীয়ে দেশৰ স্বাধীনতাৰ হ'কে প্ৰাণ আহুতি দিয়া সংগ্ৰামীসকলৰ স্মৃতিত শ্ৰদ্ধা জনোৱাৰ লগতে জিলাখনৰ জনসাধাৰণক উন্নয়নৰ পথত সহযোগিতা আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

**তিনিচুকীয়া** জিলাত উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই ত্ৰিৰংগ পতাকা উত্তোলন কৰি আকৰ্ষণীয় কুছকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত ৰাজ্য চৰকাৰৰ কল্যানমূলক আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলে মনোমোহা সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। **ডিব্ৰুগড়** জিলাৰ প্ৰশাসনৰ উদ্যোগত খনিকৰ খেলপথাৰত আয়োজিত দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানৰ লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী তথা স্কাউট এণ্ড গাইডৰ সদস্যসকলে কুছকাৱাজ কৰে। এই উপলক্ষে বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। জিলাখনৰ নামৰূপ সাৰ কাৰখানা উদ্যোগতো দিৱসৰ আয়োজন কৰা হয়। ইপিনে, দিৱস উপলক্ষে স্বেচ্ছাসেৱী সংগঠন নিশান কল্যান সমাজৰ উদ্যোগত আৰু ডিব্ৰুগড়ৰ পাইকাৰী বস্ত্ৰ ব্যৱসায়ী সংঘৰ উদ্যোগত আজি খনিকৰ বৃদ্ধাশ্ৰমত বস্ত্ৰ আৰু আহাৰ বিতৰণ কৰা হয়।

**শিৱসাগৰ** নগৰৰ বৰ্ডিং খেলপথাৰত আয়োজিত দিৱসৰ কাৰ্যসূচীত বিত্তমন্ত্ৰী অজন্তা নেওগে অংশগ্ৰহণ কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে সমাজখনক বিভাজিত কৰা অপশক্তিসমূহৰ বিৰুদ্ধে এই দিনটোত পণ লবলৈ সকলোকে আহ্বান জনায়।

**হোজাই** জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আজি উলহ মালহেৰে এই দিৱস উদযাপন কৰা হয়।

ooooo

সমাপ্ত